**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-02-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ কালি সামৰণি পৰে। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত এডভাণ্টেজ আচামৰ প্ৰদৰ্শনী আজিৰে পৰা সাধাৰণ দৰ্শকৰ বাবে মুকলি কৰি দিয়া হৈছে। এই বিনিয়োগ সন্মিলনত সৰ্বমুঠ ৪ লাখ কোটি টকাতকৈ অধিক বিনিয়োগৰ প্ৰতিশ্ৰুতি লাভ কৰা বুলি সন্মিলনৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে। ইয়াৰে আঢ়ৈ লাখ কোটি টকাৰ বুজাবুজিৰ চুক্তি ইতিমধ্যে স্বাক্ষৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই জানিবলৈ দিয়ে।

বিনিয়োগ সন্মিলনৰ অংশ হিচাপে কালি বিভিন্ন জিলাত প্ৰশাসনে কেইবাখনো বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। গোলাঘাট জিলাত কালি প্ৰশাসনে বিনিয়োগকাৰী প্ৰতিষ্ঠানৰ সৈতে ৩৪২ খন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। জিলাখনত ১৬৭ কোটি ২৫ লাখ টকা বিনিয়োগ কৰা হ'ব। কালি ইয়াৰে ৮৯ লাখ টকাৰ তিনিটা বিত্তীয় অনুমোদন মঞ্জুৰ কৰা হয়। কালি জিলা আয়ুক্তৰ উপস্থিতিত নিবনুৱা সংস্থাপন, হস্ততাঁত আৰু বস্ত্ৰশিল্প, সাঁচি গছৰ খেতি, মীন পালনকে ধৰি কেইবাটাও খণ্ডৰ বাবে এই চুক্তিসমূহ স্বাক্ষৰিত হয়। এই অনুষ্ঠানতে জিলা আয়ুক্তই মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনিৰ অধীনত মহিলা আত্ম-সহায়ক গোটসমূহক ১৫০ কোটি টকা অনুমোদন দিয়া হ'ব বুলি উল্লেখ কৰে।

লখিমপুৰ জিলাতো ৭১গৰাকী উদ্যোগীয়ে ৯৭ কোটি টকাৰো অধিক ধন বিনিয়োগৰ বাবে চুক্তি স্বাক্ষৰ কৰে। কালি জিলাখনৰ আয়ুক্তই ১১ গৰাকী উদ্যমীক ৪৭ লাখ ৭৮ হাজাৰ টকাৰ ঋণ বিতৰণ কৰে।

তিনিচুকীয়া জিলাত কালি ৪৩ গৰাকী বিনিয়োগকাৰীয়ে ১৮৬ কোটি ৮৯ লাখ টকা বিনিয়োগৰ বাবে চুক্তিত স্বাক্ষৰ কৰে। কালি স্বাক্ষৰ হোৱা চুক্তি অনুসৰি নতুন উদ্যোগসমূহত এহেজাৰ ৮৬জন কৰ্মচাৰীৰ প্ৰত্যক্ষ নিযুক্তিৰ সুবিধা সৃষ্টি হ'ব। দুয়ো দিনৰ চুক্তি অনুসৰি দুহেজাৰ ২০০তকৈও অধিক প্ৰত্যক্ষ সংস্থাপনৰ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে।

যোৰহাট জিলাতো কালি জিলা আয়ুক্তৰ উপস্থিতি ১৮ গৰাকী উদ্যোগীৰ সৈতে ৩৬ কোটি টকাৰো অধিক ব্যয়সাপেক্ষ চুক্তিত স্বাক্ষৰ কৰে।

০০০০০০

অসমৰ গাহৰি পালন খণ্ডত কোনো বিদেশী বা অসমৰ বাহিৰৰ কোম্পানীক বিনিয়োগ কৰিবলৈ দিয়া নহ'ব বুলি পশুপালন মন্ত্ৰী কৃষ্ণেন্দু পালে জানিবলৈ দিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি গাহৰি খণ্ডত কেৱল স্থানীয় গাহৰি পালককহে বিনিয়োগৰ সুবিধা দিয়া হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। এডভাণ্টেজ আছাম বিনিয়োগ সন্মিলনৰ দ্বিতীয় সংস্কৰণত বহুতৰপীয়া কৃষি খণ্ডত বিনিয়োগ কৰাৰ ক্ষেত্ৰত বহিৰাগত বিনিয়োগকাৰীৰ সৈতে অসম চৰকাৰৰ কুকুৰা পালন খণ্ডতহে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ হৈছে বুলি মন্ত্ৰী শ্ৰীপালে জানিবলৈ দিছে।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আজিৰেপৰা উত্তৰ-পূব জাপান কাৰাভান মহোৎসৱৰ আয়োজন কৰা হৈছে। জাপান ফাউণ্ডেচনৰ সহযোগত বিশ্ববিদ্যালয়খনত আয়োজিত এই মহোৎসৱ সন্দৰ্ভত কালি সংস্থাটোৰ লগতে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এখন সংবাদমেলযোগে প্ৰকাশ কৰে। মহোৎসৱত জাপানৰ ভাষা কলা-সংস্কৃতি আৰু ঐতিহ্যক প্ৰতিফলিত কৰি তিনিখন চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব বুলি সংবাদমেলত প্ৰকাশ কৰা হয়। সংবাদমেলত জাপানৰ সংস্থাটোৰ হৈ প্ৰতিনিধিত্ব কৰা নতুন দিল্লীৰ জাপানী ভাষা কাৰ্যালয়ৰ সঞ্চালক টাইচেই টায়'মাৰ'ৰে কয়, যে এই সংস্থাটোৱে ভাৰতত জাপানী ভাষা আৰু সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাম কৰি আহিছে। বিশ্ববিদ্যালয়খনত আজি আৰু কাইলৈ হ'বলগীয়া অনুষ্ঠানৰ অংশ হিচাপে জাপানৰ সংস্কৃতিৰ বিভিন্ন দিশ সামৰি লোৱা হ'ব বুলি তেওঁ কয়। উল্লেখযোগ্য যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অহা শিক্ষাবৰ্ষৰ পৰা জাপানী ভাষাৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ পৰিকল্পনা লোৱা হৈছে। অসমৰ ৫০ হাজাৰ ল'ৰা-ছোৱালীক জাপানত কাম কৰাৰ বাবে উপযুক্ত কৰি তুলিবলৈ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পৰিকল্পনা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত এই জাপানী শিক্ষাৰ পাঠ্যক্ৰমে সহায় কৰিব বুলি বিশ্ববিদ্যালয় সূত্ৰই প্ৰকাশ কৰে।

০০০০০০

অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিৰ সেতুবন্ধ কাৰ্যসূচীৰ অধীনত সভাৰ এটা প্ৰতিনিধি দলে কালি অৰুণাচল প্ৰদেশত আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰে। সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীৰ নেতৃত্বত এই প্ৰতিনিধি দলটোৱে ৰাজ্যখনৰ চিজুছাত অনুষ্ঠিত ন্যকুম য়ল্লু অনুষ্ঠানত অংশ লয়। এই অনুষ্ঠানত দিয়া ভাষণত সভাপতি ডঃ গোস্বামীয়ে অনাগত দিনসমূহত ৰাজ্যখনৰ সৈতে পাৰস্পৰিক আদান-প্ৰদানেৰে কাম কৰি যাব লাগিব বুলি প্ৰকাশ কৰে। বিভিন্ন ৰাজ্যৰ জাতি-জনগোষ্ঠীৰ মাজত সম্প্ৰীতিৰ এনাজৰী শক্তিশালী কৰাৰ বাবে অসম সাহিত্য সভাই গ্ৰহণ কৰা এই কাৰ্যসূচী অৰুণাচলৰ নিচি জনগোষ্ঠীয় সংগঠন নিচি ইলাইট ছ'চাইটিৰ উদ্যোগত আয়োজিত ন্যকুম য়ল্লু অনুষ্ঠানত ৰূপায়ণ কৰি সন্তুষ্ট বুলি সভাপতিগৰাকীয়ে প্ৰকাশ কৰে। অসমৰ এটা বিহু দলেও অনুষ্ঠানত নৃত্য-গীত পৰিৱেশন কৰে। এই দলটোত সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ডঃ জ্যোতিৰেখা হাজৰিকা, সাংগঠনিক সম্পাদক অপূৰ্ব ফুকনৰ লগতে কেইবাগৰাকীও বিষয়ববীয়া আছিল।

০০০০০০

অসমৰ বিভিন্ন অংশত যোৱা নিশা প্ৰায় ২ বাজি ২৬ মিনিটত ভূঁইকপৰ জোকাৰণি অনুভূত হয়। ৰিখটাৰ স্কেলত ৫ৰো অধিক প্ৰাবল্যৰ এই ভূমিকম্পৰ অভিকেন্দ্ৰ মৰিগাঁৱৰ ভূৰাগাঁৱৰ দুই কিলোমিটাৰ নিলগত ভূপৃষ্ঠৰ পৰা ১৬ কিলোমিটাৰ গভীৰতাত আছিল বুলি ৰাষ্ট্ৰীয় ভূকম্পন বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে। চুবুৰীয়া ভূটান, বাংলাদেশ আৰু চীনতো এই ভূমিকম্পৰ জোকাৰণি অনুভূত হোৱা বুলি জানিব পৰা গৈছে।

০০০০০০

সমাপ্ত